**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৯১**

**<u>শদিয়াত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰিলে</u>**

**<u>ধলা-শদিয়া দলং উদ্বোধনৰ প্ৰস্তুতি পৰ্বৰ কাম-কাজ</u>**

# গোগামুখতো মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰিলে ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ চৌহদৰ শিলন্যাস অনুষ্ঠানৰ প্ৰস্তুতি পৰ্বৰ কাম-কাজৰ

**দিছপুৰ, ১৫ মে’ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ২৬ মে’ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দ্বাৰা উদ্বোধন কৰিবলগীয়া ধলা-শদিয়া দলঙৰ শুভাৰম্ভণি অনুষ্ঠানৰ প্ৰস্তুতিৰ বিষয়ে আজি বুজ লয়। উল্লেখ্য যে অহা ২৬ মে’ত ৯.১৬ কিঃমিঃ দৈৰ্ঘৰ এই দলং খন দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

শদিয়াত অনুষ্ঠিত প্ৰস্তুতিপৰ্বৰ এই পৰ্যালোচনামূলক বৈঠকত গড়কাপ্টানি মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শক্তি, ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী পল্লৱ লোচন দাস, বহু সংখ্যক বিধায়ক, উজনি অসমৰ সকলো জিলাৰে উপায়ুক্ত, আৰক্ষী অধীক্ষক, জিলা পৰিবহন বিষয়া, স্থল পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ বিষয়া তথা নৱযুগ ইঞ্জিনিয়াৰিং কোম্পেনী লিমিটেড (বিশাখাপট্টনম) ৰ বিষয়াসকল উপস্থিত আছিল।

ধলা-শদিয়া দলংখনে ৰাজ্যখনৰ শদিয়া আৰু অৰুণাচল প্ৰদেশৰ সৈতে অন্যান্য অঞ্চলসমূহৰ মাজত পথ যোগাযোগ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন আনিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নিৰ্মাণৰ লগত জড়িত নৱযুগ ইঞ্জিনিয়াৰিং কোম্পেনী লিমিটেডক অহা ২২ মে’ৰ আগতে নিৰ্মাণৰ সকলো কাম-কাজ সম্পন্ন কৰাৰ বাবে নিৰ্দেশ দিয়ে।

ধলা-শদিয়া দলং নিৰ্মাণৰ কামত জড়িত নৱযুগ ইঞ্জিনিয়াৰিং কোম্পেনী লিমিটেডে ৰাষ্ট্ৰখনলৈ এক মহান সেৱা আগবঢ়াইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই দলংখনে কেৱল মাত্ৰ শদিয়াৰ জনসাধাৰণৰ বহুদিনীয়া সপোন বাস্তৱায়িত কৰাই নহয়, ভাৰতৰ সুৰক্ষাৰ দিশৰ পিনৰ পৰাও এক গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়াব। যিহেতু, দলংখনৰে সংযোগী অৰুণাচল প্ৰদেশৰ চীনৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সীমা আছে। মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়া জিলা প্ৰশাসনক স্থানীয় বিধায়ক বলিন চেতীয়াৰ লগত আলোচনা কৰি শুভাৰম্ভণি অনুষ্ঠানৰ কাম-কাজসমূহ যুদ্ধকালীনভাৱে আগবঢ়াই নিয়াৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে গড়কাপ্টানি মন্ত্ৰী পৰিমল শুক্লবৈদ্য আৰু শক্তি তথা ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী পল্লৱ লোচন দাসে প্ৰস্তুতিৰ সকলো কাম-কাজ পৰ্যবেক্ষণ কৰিব বুলিও জনায়।

মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভণি অনুষ্ঠান আয়োজন কৰিবলগীয়া স্থানত স্বচ্ছ ভাৰত অভিযান সঠিকভাৱে ৰূপায়নৰ ওপৰতো গুৰুত্ব আৰোপ কৰি জিলা প্ৰশাসন আৰু জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ বিষয়াসকলক এই স্থানত জনসাধাৰণৰ সহায়ক হোৱাকৈ পৰ্যাপ্ত সংখ্যক শৌচালয়, প্ৰস্ৰাৱগাৰ আৰু বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে।

এই অনুষ্ঠানটো এক উৎকৃষ্ট অনুষ্ঠান হিচাপে আয়োজন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে অনুষ্ঠান আয়োজিত হ'বলগীয়া স্থানত স্থানীয় জনসাধাৰণৰ সহযোগত পৰিস্কাৰ-পৰিচ্ছন্ন পৰিৱেশৰ সৃষ্টি কৰি স্বচ্ছ ভাৰত অভিযানৰ লক্ষ্য পূৰণৰ ব্যৱস্থা ল'বলৈও নির্দেশ দিয়ে।

যোগাযোগ আৰু পৰিবহন ব্যৱস্থাই উন্নয়নৰ বাট প্ৰশস্ত কৰে বুলি উল্লেখ কৰি এই দলংখনৰ উদ্বোধনে শদিয়া অঞ্চলৰ উন্নয়নী কাম-কাজ ত্বৰান্বিত কৰিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে তিনিচুকীয়া জিলাৰ দাঁতিকাষৰীয়া জিলাসমূহৰ সহায়-সহযোগিতা কামনা কৰে। মুখ্যমন্ত্ৰীয়ে উজনি অসমৰ সকলো জিলাৰ উপায়ুক্তকে এই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰৰ সহায়-সহযোগ আগবঢ়োৱাৰ বাবেও নির্দেশ দিয়ে।

৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা বিশেষকৈ শিৱসাগৰ, যোৰহাট আৰু নুমলিগড়ত ইয়াৰ বৰ্তমানৰ অৱস্থাৰ ওপৰত অসন্তুষ্টি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমক এই অংশৰ মেৰামতিৰ কাম-কাজ অতিশীঘ্ৰে সম্পন্ন কৰাৰ ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীয়ে নির্দেশ দিয়ে।

আজিৰ বৈঠকত তিনিচুকীয়া জিলাৰ উপায়ুক্ত ৰঞ্জন চক্ৰৱৰ্তীয়ে ধলা-শদিয়াৰ দলঙৰ শুভ উদ্বোধনৰ প্ৰস্তুতিৰ সকলোবোৰ কাম-কাজ অহা ২২ মে'ৰ ভিতৰত সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। উপায়ুক্তগৰাকীয়ে উদ্বোধন হ'বলগীয়া স্থানত আত্ম-সহায়ক গোট সমূহক খাদ্যৰ বিপনী স্থাপন কৰাৰ বাবে অনুমতি দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীক অৱগত কৰে। তদুপৰি, জিৰণি চ'ৰাৰ সৈতে হেলিপেড নির্মাণৰ কামো ক্ষীপ্ৰগতিত চলি আছে বুলিও উপায়ুক্ত গৰাকীয়ে অৱগত কৰে।

আজিৰ বৈঠকত সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে বিমল বৰা, তপন গগৈ, কুশল দুৱৰী, তেৰচ গোৱালা, বিনোদ হাজৰিকা, যোগেন মোহন, চক্ৰধৰ গগৈ, সঞ্জয় কিষান উপস্থিত থাকে।

আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গোগামুখত অহা ২৬ মে'ত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দ্বাৰা শিলন্যাস কৰিবলগীয়া সৰ্বভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সম্প্ৰসাৰিত কেম্পাছৰ প্ৰস্তুতিৰ বিষয়েও বুজ লয়।

গোগামুখৰ মিছিং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই পৰ্যালোচনামূলক বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা, জলসিঞ্চন মন্ত্ৰী ৰঞ্জিত দত্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী নব দলে, ধেমাজি, জোনাই, লাখিমপুৰ, বিহপুৰীয়া, বিশ্বনাথ চাৰিআলি, চতিয়া, গহপুৰ আৰু তেজপুৰৰ বিধায়কসকল, উত্তৰ অসম সংমণ্ডলৰ ডি আই জি, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সকলোবোৰ জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, পৰিবহন বিষয়াসকলে অংশ গ্ৰহণ কৰে।

শিলন্যাস অনুষ্ঠানৰ প্ৰস্তুতিপৰ্বৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই অনুষ্ঠানৰ আয়োজনৰ কাম-কাজ সমূহ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলোকে দায়বদ্ধতাৰে কাম কৰাৰ বাবে নিৰ্দেশ দিয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আৰু কয় যে গোগামুখত সৰ্বভাৰতীয় কৃষি গৱেষণা পৰিষদৰ কেম্পাছ স্থাপনৰ জৰিয়তে সমগ্ৰ ৰাজ্যৰ কৃষিৰ উত্তৰণৰ দিশত এক নতুন যুগৰ সূচনা হ'ব বুলিও কয়। এই অনুষ্ঠানত সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ স্বতঃস্ফূৰ্ত অংশ গ্ৰহণ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইটো কেৱল চৰকাৰী কাৰ্যসূচীয়ে নহয়, ৰাজ্যখনৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত এক বিশেষ অৰিহণা যোগাব পৰা এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী।

বীঃগঃ/ বঃভাঃ / পুঃডেঃ
১৫/৫/২০১৭